# 2018

## PHILOSOPHY

( Major )

Paper : 6.1

## ( Greek Philosophy )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×7=7

নির্দেশ কৰা অনুযায়ী তলত দিয়াবোৰৰ উত্তৰ দিয়া :

*(a)* According to Socrates, knowledge is perception/opinion/virtue.

( Choose the correct answer )

চক্রেটিছৰ মতে, জ্ঞান হ'ল প্ৰত্যক্ষ/অভিমত/সদ্‌গুণ।

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

*(b)* Who used 'negative dialectic method'?

কোনে 'নঞৰ্থক দ্বন্দ্বাত্মক পদ্ধতি' ব্যৱহাৰ কৰিছিল ?

*(c)* 'Homo Mensura'—who said this?

'হোমো মেনচুৰা'—এইটো কোনে কৈছিল ?

(d) Is Socrates' theory of knowledge similar to Sophists?
চক্রেটিছৰ জ্ঞানতত্ত্ব চফিষ্টসকলৰ লগত একেনে ?

(e) According to Plato, ideas are rational/empirical.

( Choose the correct answer )

প্লেটোৰ মতে, প্ৰত্যয়সমূহ হ'ল বৌদ্ধিক/অভিজ্ঞতালব্ধ।

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(f) What is the first cause of the universe?
বিশ্বব্ৰহ্মাণ্ডৰ প্ৰথম কাৰণটো কি ?

(g) Who is the writer of *The Nichomachean Ethics*?
*The Nichomachean Ethics*-ৰ লিখক কোন ?

**2.** Answer the following questions briefly : 2×4=8
নিম্নলিখিত প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

(a) What are the two kinds of virtue or good according to Socrates?
চক্রেটিছৰ মতে দুই প্ৰকাৰৰ সদ্‌গুণ কি কি ?

(b) Write the names of two important books of Aristotle.
এৰিষ্ট'টলে লিখা দুখন গুৰুত্বপূৰ্ণ গ্ৰন্থৰ নাম লিখা।

(c) What are the sources of human experience, according to Plato?
প্লেটোৰ মতে মানুহৰ অভিজ্ঞতাৰ উৎসবোৰ কি কি ?





(d) What do you mean by final cause according to Aristotle?
এৰিষ্ট'টলৰ মতে পৰিণাম কাৰণ বুলিলে কি বুজা ?

**3.** Answer any *three* of the following questions : 5×3=15
নিম্নলিখিত প্ৰশ্নসমূহৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া :

(a) "Virtue and knowledge are identical." Discuss briefly.
"সদ্‌গুণ আৰু জ্ঞান অভিন্ন।" চমুকৈ আলোচনা কৰা।

(b) Distinguish between knowledge and opinion.
জ্ঞান আৰু অভিমতৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা।

(c) Write a short note on Plato's 'allegory of cave'.
প্লেটোৰ 'গুহাৰ ৰূপক'ৰ ওপৰত এটি চমু টোকা লিখা।

(d) Write Plato's five arguments in favour of Ideas.
প্লেটোৰ ধাৰণাতত্ত্বৰ সপক্ষে পাঁচটা যুক্তি লিখা।

(e) "Matter is potentiality and form is actuality." Explain this statement briefly.
"উপাদান হৈছে সম্ভাব্যতা আৰু আকাৰ হৈছে বাস্তৱতা।" এই উক্তিটো চমুকৈ ব্যাখ্যা কৰা।

**4.** "All knowledge is through concepts." Explain and examine the statement. 10
"সকলো জ্ঞানেই ধাৰণা বা প্ৰত্যয়ৰ জৰিয়তে হয়।" এই উক্তিটো ব্যাখ্যা আৰু সমীক্ষা কৰা।

*Or / অথবা*

Explain the Socrates' view of 'virtue is knowledge'.

'সদ্‌গুণেই জ্ঞান'—চক্রেটিছৰ এই অভিমতটো ব্যাখ্যা কৰা।

5. Explain and examine Plato's doctrine of Ideas. 10

প্লেটোৰ ধাৰণাতত্ত্বৰ ব্যাখ্যা আৰু বিচাৰ কৰা।

*Or / অথবা*

How does Plato refute the view that 'knowledge is sense-perception'? Discuss.

'জ্ঞান হ'ল ইন্দ্ৰিয় প্ৰত্যক্ষ'—এই অভিমতটো প্লেটোই কিদৰে খণ্ডন কৰিছে? আলোচনা কৰা।

6. Explain how Aristotle distinguish between Form and Matter. 10

এৰিষ্ট'টলে কেনেকৈ আকাৰ আৰু উপাদানৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিছিল, ব্যাখ্যা কৰা।

*Or / অথবা*

Explain Aristotle's theory of 'causation'. Do you think that Aristotle's theory of 'causation' is different from the modern scientific view of causation? 8+2=10

এৰিষ্ট'টলৰ 'কাৰণতা' মতবাদটো ব্যাখ্যা কৰা। আধুনিক বৈজ্ঞানিক কাৰণতাৰ ধাৰণাৰ পৰা এৰিষ্ট'টলৰ 'কাৰণতা' মতবাদটো পৃথক বুলি তুমি ভাবা নেকি?

★★★

# 2018

## PHILOSOPHY

( Major )

Paper : 6.2

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions as directed : 1×7=7
নিৰ্দেশ অনুসাৰে নিম্নলিখিত প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

*(a)* What was the first motto of Mahatma Gandhi regarding Truth and God?
সত্য আৰু ঈশ্বৰৰ প্ৰসঙ্গত মহাত্মা গান্ধীৰ প্ৰথম বাণীটো কি আছিল ?

*(b)* Who is the author of the book, *Unto This Last* ?
*Unto This Last* গ্ৰন্থখনৰ লিখক কোন ?

*(c)* For Mahatma Gandhi, means and end are same.
( Write True or False )
মহাত্মা গান্ধীৰ মতে উপায় আৰু লক্ষ্য একে।
( সত্য নে অসত্য লিখা )

(d) For Mahatma Gandhi, Truth and Non-Violence are as old as the hills. ( Write True or False )

মহাত্মা গান্ধীৰ মতে সত্য আৰু অহিংসা পাহাৰৰ নিচিনা প্ৰাচীন। ( সত্য নে অসত্য লিখা )

(e) Was Mahatma Gandhi in favour of heavy industrialization?

মহাত্মা গান্ধী বৃহৎ উদ্যোগীকৰণৰ সপক্ষে আছিল নেকি?

(f) What is the literal meaning of the word 'Sarvodaya'?

'সৰ্বোদয়' শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ কি?

(g) Mention the name of 'the technique of Ahiṁsā' in Gandhiji's Philosophy.

গান্ধীজীৰ দৰ্শনত 'অহিংসাৰ কৌশল'ৰ নামটো উল্লেখ কৰা।

2. Give short introduction to the following : 2×4=8

নিম্নলিখিতবোৰৰ চমু পৰিচয় দিয়া :

(a) Young India

ইয়ং ইণ্ডিয়া

(b) Bread labour

কটি শ্ৰম

(c) Non-Violence

অহিংসা

(d) Harijan

হৰিজন





3. Write short notes on any *three* of the following : 5×3=15

তলৰ যি কোনো তিনিটাৰ বিষয়ে চমু টোকা লিখা :

(a) Gandhiji's concept of Swadeśī

গান্ধীজীৰ স্বদেশীৰ ধাৰণা

(b) Trusteeship

ন্যাস

(c) Proofs for the existence of God

ঈশ্বৰৰ অস্তিত্বৰ প্ৰমাণ

(d) Gandhiji's attitude towards living religion

প্ৰচলিত ধৰ্ম সম্পৰ্কে গান্ধীজীৰ ধাৰণা

(e) Gandhiji's concept of 'Non-Stealing'

গান্ধীজীৰ 'অস্তেয়'ৰ ধাৰণা

4. (a) "Truth is God." Explain the statement after M. K. Gandhi. 10

"সত্যই ঈশ্বৰ।" গান্ধীজীৰ এই উক্তিষাৰ ব্যাখ্যা কৰা।

*Or / নাইবা*

(b) How does Gandhiji connect religion with morality? Explain. 10

গান্ধীজীয়ে ধৰ্মৰ সৈতে নৈতিকতাক কেনেদৰে সম্পৰ্কিত কৰিছে, ব্যাখ্যা কৰা।

5. *(a)* Explain Gandhiji's view on Non-Violence. Is his concept of Non-Violence relevant in present-day situation? 6+4=10

গান্ধীজীৰ অহিংস নীতি ব্যাখ্যা কৰা। বৰ্তমান পৰিস্থিতিত তেওঁৰ অহিংসাৰ ধাৰণা প্ৰাসংগিকনে?

*Or / নাইবা*

*(b)* Discuss the concept of Sarvodaya in Gandhiji's Philosophy. 10

গান্ধীজীৰ দৰ্শনত সৰ্বোদয়ৰ ধাৰণা আলোচনা কৰা।

6. *(a)* Discuss Gandhiji's view on Khädi and cottage industries. 10

গান্ধীজীৰ খাদি আৰু কুটিৰ উদ্যোগ সম্পৰ্কে থকা ধাৰণাৰ দৃষ্টিভংগী আলোচনা কৰা।

*Or / নাইবা*

*(b)* What is Satyägraha in Gandhiji's Philosophy? Explain any six different kinds of Satyägraha. 4+6=10

গান্ধীজীৰ দৰ্শনত সত্যাগ্ৰহ মানে কি? বিভিন্ন প্ৰকাৰৰ সত্যাগ্ৰহৰ যি কোনো ছয়টা ব্যাখ্যা কৰা।

★ ★ ★

# 2018

## PHILOSOPHY

( Major )

Paper : 6.3

**( Contemporary Western Philosophy—II )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×7=7

নির্দেশানুযায়ী তলত দিয়াবোবৰ উত্তৰ দিয়া :

*(a)* Which of the following statements is correct?

তলৰ কোনটো উক্তি শুদ্ধ ?

*(i)* Existentialists think that life can be known completely by reason.

অস্তিত্ববাদীসকলে ভাৱে যে বুদ্ধিৰ দ্বাৰা জীৱনক সম্পূৰ্ণ জানিব পাৰি ।

(ii) Existentialists think that life cannot be known completely by reason.
অস্তিত্ববাদীসকলে ভাবে যে বুদ্ধিৰ দ্বাৰা জীৱনক সম্পূৰ্ণ জানিব নোৱাৰি।

(iii) Existentialism emphasises abstract thinking.
অস্তিত্ববাদে বিমূৰ্ত চিন্তাক গুৰুত্ব প্ৰদান কৰে।

(iv) Existentialism supports naturalism.
অস্তিত্ববাদে প্ৰকৃতিবাদক সমৰ্থন কৰে।

(Choose the correct option)
(শুদ্ধ বিকল্পটো বাচি উলিওৱা)

(b) Which of the following groups of philosophers is a group of atheistic existentialists?

তলত দিয়া দাৰ্শনিকৰ দলসমূহৰ ভিতৰত কোনটো নিৰীশ্বৰবাদী বা নাস্তিক অস্তিত্ববাদীৰ দল?

(i) Kierkegaard, Heidegger, Jaspers
কীৰ্কেগাৰ্ড, হাইডেগাৰ, জেচপাৰ্ছ

(ii) Heidegger, Marcel, Sartre
হাইডেগাৰ, মাৰ্চেল, ছাৰ্ত্ৰে

(iii) Sartre, Nietzsche, Heidegger
ছাৰ্ত্ৰে, নিৎস্যে, হাইডেগাৰ

(iv) Sartre, Heidegger, Jaspers
ছাৰ্ত্ৰে, হাইডেগাৰ, জেচপাৰ্ছ

(Choose the correct option)
(শুদ্ধ বিকল্পটো বাচি উলিওৱা)





(c) Who among the following philosophers did say "God is Dead"?
তলত উল্লিখিত দাৰ্শনিকসকলৰ ভিতৰত কোনগৰাকীয়ে "ঈশ্বৰ মৃত" বুলি কৈছিল?

(i) Plato
প্লেটো

(ii) Hegel
হেগেল

(iii) Nietzsche
নিৎস্যে

(iv) Kierkegaard
কীৰ্কেগাৰ্ড

(Choose the correct option)
(শুদ্ধ বিকল্পটো বাচি উলিওৱা)

(d) Who among the following is the author of *The Phenomenology of Sprit*?
তলত উল্লেখ কৰা সকলৰ ভিতৰত কোনগৰাকী *The Phenomenology of Sprit* গ্ৰন্থখনৰ ৰচক?

(i) Husserl
হুছাৰ্ল

(ii) Kant
কান্ট

(iii) Descartes
ডেকাৰ্ট

(iv) Hegel
হেগেল

(Choose the correct option)
(শুদ্ধ বিকল্পটো বাচি উলিওৱা)

*(e)* Which of the following pairs is not perfectly matched?

তলত দিয়া যোৰসমূহৰ ভিতৰত কোনটো যোৰ সঠিকভাৱে মিল খোৱা নাই?

*(i)* Essence precedes existence—Essentialism

সত্তা বা সাৰধৰ্ম অস্তিত্বৰ পূৰ্বগামী—সত্তাবাদ

*(ii)* Concluding Unscientific Postscript—Heidegger

Concluding Unscientific Postscript—হাইডেগাৰ

*(iii)* Will to Power—Nietzsche

ক্ষমতা লাভৰ ইচ্ছা—নিৎস্যে

*(iv)* Logical Investigations—Husserl

Logical Investigations—হুছাৰ্ল

(Choose the correct option)

(শুদ্ধ বিকল্পটো বাচি উলিওৱা)

*(f)* In Sartre's philosophy, freedom and responsibility are two mutually exclusive concepts. Is it correct?

ছাৰ্ত্ৰৰ দৰ্শনত স্বাধীনতা আৰু দায়বদ্ধতা পৰস্পৰ বহিৰ্ভূত দুটা ধাৰণা। এইটো শুদ্ধনে?

*(g)* Who wanted to establish philosophy as a rigorous science?

কোনে দৰ্শনক এক কঠোৰ বিজ্ঞান হিচাপে প্ৰতিষ্ঠা কৰিব বিচাৰিছিল?





**2.** Answer the following in brief : 2×4=8

তলত দিয়াবোৰৰ চমু উত্তৰ দিয়া :

*(a)* Why does Kierkegaard say that the aesthetic mode of existence is the life of pure immediacy?

কীৰ্কেগাৰ্ডে অস্তিত্বৰ সৌন্দৰ্যাত্মক প্ৰকাৰক কিয় বিশুদ্ধ তাৎক্ষণিকতাৰ জীৱন বুলি কৈছে?

*(b)* What is 're-evaluation of values' according to Nietzsche?

নিৎস্যেৰ মতে 'মূল্যৰ পুনৰ্মূল্যায়ন' মানে কি?

*(c)* In what sense does Sartre understand the nature of consciousness?

চেতনাৰ প্ৰকৃতিৰ বিষয়ে ছাৰ্ত্ৰৰ ধাৰণা কি?

*(d)* Why can Husserl be called an intuitionist?

হুছাৰ্লক কিয় এগৰাকী স্বজ্ঞাবাদী বুলি অভিহিত কৰিব পাৰি?

**3.** Write short notes on any *three* of the following : 5×3=15

তলৰ যি কোনো তিনিটাৰ বিষয়ে চমু টোকা লিখা :

*(a)* Religious stage of human existence in Kierkegaard's philosophy

কীৰ্কেগাৰ্ডৰ দৰ্শনত মানৱ অস্তিত্বৰ ধৰ্মীয় স্তৰ

*(b)* Nietzsche's concept of 'superman'

নিৎস্যেৰ 'অতিমানৱ'ৰ ধাৰণা

*(c)* Husserl's concept of 'Life-world' *(Lebenswelt)*

হুছাৰ্লৰ 'প্ৰাণবন্ত জগত বা জীৱন-জগত' *(Lebenswelt)*-ৰ ধাৰণা

*(d)* Descriptive phenomenology

বৰ্ণনামূলক প্ৰতীতিবাদ বা প্ৰতিভাস বিজ্ঞান

*(e)* Relationship between freedom and responsibility in Sartre's philosophy

ছাৰ্ত্ৰেৰ দৰ্শনত স্বাধীনতা আৰু দায়বদ্ধতাৰ সম্পৰ্ক

**4.** Answer the following (any *three*) : 10×3=30

তলত দিয়াবোৰৰ উত্তৰ দিয়া (যি কোনো তিনিটা) :

*(a)* Discuss briefly each of any five general characteristics of existentialism.

অস্তিত্ববাদৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ যি কোনো পাঁচটাৰ প্ৰত্যেকৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা।

*(b)* "Existence precedes essence." Explain and examine the statement.

"অস্তিত্ব সাৰসত্তাৰ পূৰ্বৱৰ্তী।" উক্তিটো ব্যাখ্যা আৰু বিচাৰ কৰা।





*(c)* What does Kierkegaard mean by saying "Truth is subjectivity and subjectivity is truth"? Explain.

"সত্যতাই হৈছে আত্মিকতা বা আত্মনিষ্ঠতা আৰু আত্মিকতা বা আত্মনিষ্ঠতাই হৈছে সত্যতা।" এই উক্তিটোৰ দ্বাৰা কীৰ্কেগাৰ্ডে কি বুজাইছে? ব্যাখ্যা কৰা।

*(d)* Why is Nietzsche regarded as a nihilist? Explain his nihilistic philosophy briefly.

নিৎস্যেক কিয় এগৰাকী শূন্যবাদী বুলি বিবেচনা কৰা হয়? তেখেতৰ শূন্যবাদী দৰ্শনৰ বিষয়ে চমু ব্যাখ্যা আগবঢ়োৱা।

*(e)* "Man is condemned to be free." Discuss the significance of this statement.

"মানুহ স্বাধীন হ'বলৈ বাধ্য বা দণ্ডিত।" এই উক্তিটোৰ তাৎপৰ্য আলোচনা কৰা।

*(f)* Write an introductory note on Husserl's phenomenology.

হুছাৰ্লৰ প্ৰতীতিবাদ বা প্ৰতিভাস বিজ্ঞানৰ বিষয়ে এক পৰিচয়মূলক টোকা লিখা।

★★★

# 2018

## PHILOSOPHY ( Major )

Paper : 6.4

**( Ethics—II )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions/Choose the correct answer : 1×7=7

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া/শুদ্ধ উত্তৰটো বাচি উলিওৱা :

*(a)* Which of the following statements does rightly characterises Kant's moral theory?

তলত দিয়া উক্তিসমূহৰ ভিতৰত কোনটোৱে সঠিকভাৱে কাণ্টৰ নৈতিক মতবাদৰ বৈশিষ্ট্য সূচাব পাৰিছে?

*(i)* It is a version of utilitarianism.

ই উপযোগিতাবাদৰ এটা ৰূপ।

*(ii)* It is another version of consequentialism, but it is not utilitarianism.

ই ফলাফল-সম্বন্ধীয় মতবাদৰ অন্য এক ৰূপ, কিন্তু ই উপযোগিতাবাদ নহয়।

*(iii)* It is inconsistent with consequentialism.

ই ফলাফল-সম্বন্ধীয় মতবাদৰ লগত অসংগতিপূৰ্ণ।

*(iv)* It is consistent with ethical egoism.

ই নৈতিক আত্মবাদৰ লগত সংগতিপূৰ্ণ।

(b) According to Kant, reason is not the ground of morality. Is it correct?
কাণ্টৰ মতে বুদ্ধি বা যুক্তি নৈতিকতাৰ পটভূমি নহয়। এইটো শুদ্ধনে?

(c) Is Karmavada an ethical theory of causation?
কৰ্মবাদ নৈতিক কাৰ্যকাৰণবাদ হয়নে?

(d) What is Anarabdha Karma?
অনাৰব্ধ কৰ্ম কি?

(e) For Kant, man is always a means / end / non-entity in moral status.
কাণ্টৰ বাবে নৈতিক স্থিতি অনুসৰি মানুহ সদায় এটা উপায় / লক্ষ্য / অসত্তা (নগণ্য)।

(f) Which of the following statements is true?
তলত দিয়া উক্তিসমূহৰ ভিতৰত কোনটো সত্য?

(i) Moore is a naturalist.
মূৰ হৈছে এগৰাকী প্ৰকৃতিবাদী।

(ii) Moore is not an intuitionist.
মূৰ এগৰাকী স্বজ্ঞাবাদী বা অন্তঃপ্ৰজ্ঞাবাদী নহয়।

(iii) Non-naturalism is also called intuitionism.
অপ্ৰকৃতিবাদক স্বজ্ঞাবাদ বা অন্তঃপ্ৰজ্ঞাবাদ বুলিও কোৱা হয়।

(iv) Naturalism is also called intuitionism.
প্ৰকৃতিবাদক স্বজ্ঞাবাদ বা অন্তঃপ্ৰজ্ঞাবাদ বুলিও কোৱা হয়।





(g) "You are not punished for stealing sheep, but in order that sheep may not be stolen." It refers to which theory of punishment?
"ভেড়া চুৰি কৰাৰ কাৰণে তোমাক শাস্তি দিয়া হোৱা নাই, তোমাক শাস্তি দিয়া হৈছে এই বাবেই যে যাতে ভেড়া পুনৰ চুৰি নহয়।" ইয়ে শাস্তিৰ কোনটো মতবাদ নিৰ্দেশ কৰে?

2. Answer the following questions in brief : 2×4=8
তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া :

(a) What is rigorism in Kantian ethics?
কাণ্টৰ নৈতিক দৰ্শনত কঠোৰতাবাদ বা কৃচ্ছ্ৰতাবাদ মানে কি?

(b) What is meant by naturalistic fallacy?
প্ৰকৃতিবাদী ভ্ৰান্তি বা দোষ বুলিলে কি বুজোৱা হয়?

(c) What do you mean by Nitya Karma?
নিত্য কৰ্ম বুলিলে কি বুজা?

(d) What is the difference between Pravritti Marga and Nivritti Marga?
প্ৰবৃত্তি মাৰ্গ আৰু নিবৃত্তি মাৰ্গৰ মাজত পাৰ্থক্য কি?

3. Write short notes on any *three* of the following : 5×3=15
তলত দিয়াবোৰৰ পৰা যি কোনো তিনিটাৰ বিষয়ে চমু টোকা লিখা :

(a) Maxims of categorical imperative
চৰ্তহীন আদেশৰ মূল সূত্ৰ বা নীতি বাক্যসমূহ

(b) Moore's open question argument
মূৰৰ মুক্ত প্ৰশ্ন যুক্তি

(c) 'Pseudoconcept' in Ayer's emotivism
আয়াৰৰ আবেগ-বিষয়ক মতবাদত 'ছদ্মধাৰণা'

(d) Retributive theory of punishment
শাস্তি-সম্পৰ্কীয় প্ৰতিকাৰাত্মক বা প্ৰতিশোধাত্মক মতবাদ

(e) Differences between Sakama Karma and Niskama Karma
সকাম কৰ্ম আৰু নিষ্কাম কৰ্মৰ মাজৰ পাৰ্থক্য

**4.** Answer any *three* of the following questions : 10×3=30

তলত দিয়া প্ৰশ্নসমূহৰ পৰা যি কোনো তিনিটাৰ উত্তৰ দিয়া :

(a) Give a comparative discussion on *Gita*'s Niskama Karma and Kant's rationalism.
'গীতা'ৰ নিষ্কাম কৰ্ম আৰু কাণ্টৰ বিচাৰবাদৰ বিষয়ে এটা তুলনামূলক আলোচনা আগবঢ়োৱা।

(b) Is good definable? Explain after G. E. Moore.
শ্ৰেয় সংজ্ঞাত্মক হয়নে? মূৰৰ মতানুসৰি ব্যাখ্যা কৰা।

(c) Explain and examine A. J. Ayer's emotivism.
এ. জে. আয়াৰৰ আৱেগ-বিষয়ক মতবাদটো ব্যাখ্যা আৰু বিচাৰ কৰা।

(d) Is capital punishment justified? Give reasons in support of your answer.
মৃত্যুদণ্ড বৈধ বা যুক্তিযুক্তনে? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি আগবঢ়োৱা।

(e) Is the law of Karma a fatalism? Discuss.
কৰ্মবাদ এক অদৃষ্টবাদ হয়নে? আলোচনা কৰা।

★★★

# 2018

## PHILOSOPHY

( Major )

Paper : 6.5

**( Philosophy of Religion )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions : $1 \times 7 = 7$

নিম্নলিখিত প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

*(a)* "The Holy is purely an a priori category." Who said this?

"পবিত্ৰতা হ'ল সম্পূৰ্ণৰূপে এক অভিজ্ঞতাপূৰ্ব প্ৰবৰ্গ।" এই কথাষাৰ কোনে কৈছিল?

*(b)* Name one famous thinker who advocated symbolic nature of religious language.

ধৰ্মীয় ভাষাৰ প্ৰতীকী স্বৰূপ ব্যাখ্যা কৰা বিখ্যাত চিন্তাবিদ এগৰাকীৰ নাম লিখা।

*(c)* What is the symbol of ultimate concern in religious language?

ধৰ্মীয় ভাষাত পৰম সত্তা (concern)ৰ প্ৰতীক কি?

(d) Who was the main propounder of cosmological argument for the existence of God?
ঈশ্বৰৰ অস্তিত্ব-সম্পৰ্কীয় বিশ্বতত্ত্ব যুক্তিৰ মুখ্য হোতা কোন ?

(e) Which Marga or Path is considered as superior to Jnana Marga and Karma Marga by Sankaradeva?
শংকৰদেৱৰ মতে জ্ঞান মাৰ্গ আৰু কৰ্ম মাৰ্গতকৈও শ্ৰেষ্ঠ মাৰ্গ কোনটো ?

(f) Name one masterwork of Sankaradeva.
শংকৰদেৱৰ এখন বিখ্যাত সৃষ্টিৰ নাম লিখা।

(g) Who initiated the Neo-Vaishnavite Movement in Assam?
অসমত নৱবৈষ্ণৱবাদৰ হোতা কোন ?

**2.** Answer the following questions in brief : 2×4=8

তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া :

(a) What is *Kirtan-Ghosa*?
'কীৰ্ত্তন-ঘোষা' বুলিলে কি বুজা ?

(b) "God is that, than which nothing greater can be conceived." Who said this? Write the name of the argument associated with it.
"ঈশ্বৰ হ'ল এনে এক সত্তা যাৰ উৰ্ধ্বত আন কোনো মহত্তৰ বা উচ্চতৰ চিন্তা কৰিব নোৱাৰি।" উক্তিটো কাৰ আৰু ঈশ্বৰৰ অস্তিত্ব-সম্পৰ্কীয় কোনটো মতবাদৰ লগত ই জড়িত ?

(c) Name two supporters of moral argument for the existence of God.
ঈশ্বৰৰ অস্তিত্ব-সম্পৰ্কীয় নৈতিক যুক্তিটোৰ দুগৰাকী সমৰ্থকৰ নাম লিখা।





(d) Match the following :
তলত দিয়াবোৰ মিলোৱা :

| | |
|---|---|
| (i) William Paley<br>উইলিয়াম পেলে | (1) Ontological argument<br>তাত্ত্বিক যুক্তি |
| (ii) Rudolf Otto<br>ৰুডল্ফ অটো | (2) Ek Sarana Nama Dharma<br>এক শৰণ নাম ধৰ্ম |
| (iii) St. Anselm<br>চেইন্ট এনছেল্‌ম | (3) Analogy of Watch<br>ঘড়ীৰ উপমা |
| (iv) Sankaradeva<br>শংকৰদেৱ | (4) Numinous<br>নুমিনাচ |

**3.** Answer any *three* of the following questions : 5×3=15

নিম্নলিখিত প্ৰশ্নবোৰৰ যি কোনো তিনিটাৰ উত্তৰ লিখা :

(a) Briefly explain the distinction between religious language and ordinary language.
ধৰ্মীয় ভাষা আৰু সাধাৰণ ভাষাৰ মাজৰ পাৰ্থক্যবোৰ চমুকৈ বৰ্ণনা কৰা।

(b) Briefly explain the concept of Numinous.
নুমিনাচৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰা।

(c) Explain some basic features of Neo-Vaishnavism.
নৱবৈষ্ণৱবাদৰ মুখ্য বৈশিষ্ট্যবোৰ ব্যাখ্যা কৰা।

(d) What are the characteristics of religious symbol according to Randal?
Randal ৰ মতে ধৰ্মীয় প্ৰতীকৰ বৈশিষ্ট্যসমূহ কি কি ?

(e) Briefly explain some drawbacks of the teleological argument for the existence of God.
ঈশ্বৰৰ অস্তিত্ব-সম্পৰ্কীয় উদ্দেশ্যমূলক যুক্তিৰ দুৰ্বল দিশবোৰ চমুকৈ ব্যাখ্যা কৰা।

4. Discuss critically the cosmological argument for the existence of God. 10

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক বিশ্বতত্ত্বমূলক যুক্তিটো সমালোচনাৰ সৈতে আলোচনা কৰা।

*Or / অথবা*

Explain the significance of Otto's idea of the Holy in philosophy of religion.

ধৰ্মদৰ্শনত অটোৰ পবিত্ৰতাৰ ধাৰণাৰ প্ৰাসংগিকতা ব্যাখ্যা কৰা।

5. What is religious language? Distinguish between symbol and sign according to Paul Tillich. 10

ধৰ্মীয় ভাষা মানে কি? পল টিলিকৰ মতে প্ৰতীক আৰু চিহ্নৰ পাৰ্থক্য লিখা।

*Or / অথবা*

Critically discuss the moral argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক নৈতিক যুক্তিটোৰ সমালোচনাত্মক আলোচনা কৰা।

6. Explain the concept of God in Sankaradeva's philosophy. 10

শংকৰদেৱৰ দৰ্শনত ঈশ্বৰৰ ধাৰণাটো ব্যাখ্যা কৰা।

*Or / অথবা*

Explain the concept of Bhakti in Neo-Vaishnavism.

নৱবৈষ্ণৱবাদত ভক্তিৰ ধাৰণাটো ব্যাখ্যা কৰা।

***